অসমৰ বিভিন্ন প্ৰান্তীয় উপভাষাৰ ফকৰা - যোজনা: এটি চমু আলোচনা
-প্ৰণৱ ফুকন

ফকৰা - যোজনা : অসমীয়া যোজনাৰ এক সুবৃহৎ অংশ দখল কৰি আছে ফকৰা - যোজনাই । দুটা শব্দ কিয় আছে বা লাগে, এনে ধৰণৰ প্ৰশ্ন উঠা স্বাভাৱিক, বিশেষকৈ যিহেতু দুয়োটা শব্দ পৰিপূৰক বা সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা পৰিলক্ষিত হয় । অৱশ্যে ফকৰা আৰু যোজনাৰ মাজত এক সুক্ষ্ম ভিন্নতা আছে । কোনো কোনো পণ্ডিতৰ মতে ফকৰাই এক ৰহস্যময়তাৰ ছবি দাঙি ধৰে । উদাহৰণস্বৰূপে:

লাগে তামোল, নেলাগে তামোল
নেলাগে তামোল, লাগে তামোল

প্ৰথম শুনোতে লাগিব এইবোৰ কি আবোলতাবোল গাইছে । পাছে ইয়াত তামোল পুলি ৰোৱাৰ গভীৰ ৰহস্য আছে । তামোল পুলি সদায় অলপ দূৰে দূৰে ৰুব লাগে যাতে ডাঙৰ হোৱাৰ পাছতো এজোপাৰ পাত আনজোপাৰ পাতত নেলাগে । যদি দূৰত্ব কম হয় আৰু পাতে- পাতে লাগে (লাগে তামোল), তেন্তে সেই গছত তামোল নেলাগে (নেলাগে তামোল) । দূৰত্ব সঠিক হ'লে আৰু পাতে-পাতে নেলাগিলে (নেলাগে তামোল) সেই গছত তামোল লাগে (লাগে তামোল) ।

যোজনা হ'ল বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ ফলশ্ৰুতি । হেমকোষত যোজনাৰ অৰ্থ দিয়া হৈছে দৃষ্টান্ত বা পটন্তৰ বুলি । তাক কোনো বিষয়ত যোজন কৰা বা লগোৱা হয় । ফকৰাৰ ব্যাখ্যা দিয়া হৈছে "নীতি শিকোৱা বা কোনো কথাৰ উদাহৰণ বা দৃষ্টান্ত দেখোৱা দুই বা অধিক ফাঁকি কথা" বুলি ।

অসমৰ সকলো প্ৰান্তীয় উপভাষা বা কথিত ভাষাত যোজনাৰ সৃষ্টি হৈ আহিছে ; যেনে - দৰঙী, কামৰূপী, গোৱালপৰীয়া আৰু গড়গঁঞা । প্ৰান্তীয় উপভাষাৰ যিবোৰ শব্দ গৰগঁঞা অসমীয়াৰ পৰা বেলেগ, তেনেবোৰ শব্দৰ লিখিত ৰূপ দিবলৈও চেষ্টা কৰা হ'ব ।

দৰঙী যোজনা: এসময়ৰ দৰঙী ৰাজ্যত প্ৰচলিত কথিত ভাষাত অনেক যোজনা পোৱা যায় । আমি দুটামান যোজনাৰ ফালে চাওঁ আহক:

১) হ'লোঁ ভকত নহ'লোঁ ভকত
থাই পেল্লো দিপেৰীয়াৰ ভোখত

{পেল্লো (পেলালোঁ), দিপেৰীয়া (দুপৰীয়া), ভোখ (ভোক)}

ভকতে আনে ৰন্ধা ভাত-আঞ্জা নাখায় আৰু টৌখুটি মাৰি নিজে ৰান্ধি খায় । পাছে পেটৰ ভোকে সকলো নীতি-নিয়ম পাহৰাই দিয়ে আৰু সেই সময়ত "ভোকেই ভাতৰ আঞ্জা"(গড়গঁঞা) । অৰ্থৎ কোনো কোনো লোকে নিজৰ জয়ঢোল বজায়, কিন্ত ভিতৰি কোৱাভাতুৰি সদৃশ ।

২) মাল আন্‌লো মাল ঝুঝাবা
মালে ধল্লা কটি খুজাবা
(মাল মানে মল্লযোদ্ধা, wrestler, পালোৱান)

{আনলো (আনিলোঁ), ঝুঝাবা (যুজাবলৈ), ধল্লা (ধৰিলে), কটি (টিকা), খুজাবা (খজুৱাবলৈ)}

ভাটিদেশৰ পৰা অহা পালোৱান এটাক যুজত হৰুৱাবলৈ ৰজাই নিজ দেশৰ এটা পালোৱান আনি ভালদৰে খুৱাই - বুৱাই যুজলৈ পাচিলে । পাছে ভাটিদেশৰ পালোৱানটো দেখি সি ভয়তে টিকা- মুৰ খজুৱাবলৈ ধৰিলে । ভাল ফল পোৱাৰ আশাত ডাঙৰ কাম সপিলে কিছুমান মানুহে তেনে কঠিন পৰিস্থিতিৰ পৰা পলাই সাৰিব খোজে - এই যোজনাটিয়ে তাকে দৰ্শায় ।

(৩) বৈৰ্হান বতৰৰ ভোহ্ছ,
পাত পাৰ আৰু খা।"
( বৈৰ্হান= বৰষুণ, ভোহ্ছ=ভোজ)

ৰাইজৰ উদ্দেশ্যে আগবঢ়োৱা ভোজ খাবৰ সময়তে বৰষুণ দিয়াত গোটেইখন পানী-বোকাৰে ভৰি পৰাত বুধিয়কে উপায় দিলে - যিয়ে যেনেকে পাৰা নিজে পাত পাৰি খোৱাত ধৰিব লাগে। ইয়াত সামাজিক নিয়ম নামানিলেও দোষ ধৰোঁতা নাই। অৰ্থাৎ অসূচল অৱস্থাক সূচল কৰি লৈ নিজৰ কামফেৰা সমাধা কৰা।

(৪) "গেইছিলু ঝিয়াকক চাবা লেগি,
বাৰে বাৰে মাক আহেই আগক লেগি। "
(গেইছিলু= গৈছিলোঁ, ঝিয়াক= জীয়েক, চাবা লাগি= চাবলৈ, আগক লাগি= আগলৈ/ সমুখলৈ)

বিয়াৰ বাবে ল'ৰা এজন এঘৰলৈ ছোৱালী চাবলৈ গৈছিল। সম্ভাব্য জোঁৱাইক আদৰিবলৈ জীয়েকৰ পৰিবৰ্তে ৰচকী মাকজনী বাৰে বাৰে তেওঁৰ সমুখলৈ অহাত বিৰক্ত হৈ ল'ৰাজনে ভোৰভোৰাইছিল। গতিকে এজনে পাব লগা আদৰ আন এজনে ল'বলৈ আগবঢ়া ।

কামৰূপী যোজনা : এসময়ত কামৰূপ আহোম ৰাজ্যত নাছিল । সেয়ে গড়গঁঞা অসমীয়াৰ প্ৰভাৱ এই অঞ্চলত কম । শৰাইঘাটৰ ৰণৰ পাছত যদিও মানসলৈকে আহোমে দখল কৰে পাছত লালুক সোলাই বিনা যুদ্ধে গুবাহাটীলৈকে মোগলক এৰি দিয়ে । ইটাখুলীৰ ৰণৰ পাছতহে মানস নৈলৈকে আহোমে নিগাজিকৈ দখল কৰে । কামৰূপৰ কথিত ভাষা লিখিত অসমীয়া ভাষাতকৈ কিছু কিছু ক্ষেত্ৰত পৃথক । কামৰূপ অঞ্চলত প্ৰচলিত যোজনা দেখাৰ । উদাহৰণ স্বৰূপে-

ক) বান্দাৰে সাগৰৰ পানী খাই শেষ কৰ্বা নৰে
{বান্দাৰ (বান্দৰ), কৰবা (কৰিব), নৰে (নোৱাৰে)}

অৰ্থাৎ অক্ষম লোকে কোনো ডাঙৰ কাম কৰিবলৈ ল'লেও আউল লগায় আৰু তদ্ৰূপ ফলাফলহে পোৱা যায়

খ) হ'ব চলি বুলব্ বাপ
তেহে গুছব্ মনৰ তাপ
{চলি (ল'ৰা-ছোৱালী), বুলব (বুলিব), বাপ (দেউতা), গুছব (গুছিব)}

ল'ৰা-ছোৱালী নথকা মানুহে হা- হুমুনিয়াহ কাঢ়ি কেতিয়াবা সন্তানে মা-দেউতা বুলি মাতিলেহে মনত শান্তি পাব বুলি আশা কৰি থাকে ।অৰ্থাৎ অসম্পূৰ্ণ কামনা কেতিয়াবা নহয় কেতিয়াবা পূৰ্ণ হ'ব, এই আশাত থকা ।

গ)বাপ জন্মোত নাই গাই ।
চাংলি পাতি দুবা যাই ।।
(জন্মোত = জন্মত, চাংলি = চালনি, দুবা = খিৰোৱা)

কেতিয়াও গাই পুহি নোপোৱাজনে খিৰতী গাই এজনী পাই অত্যুৎসাহী হৈ পৰি চালনিৰ দৰে ফুটা আহিলা এটা লৈয়েই গাই খিৰাবলৈ গ'ল । অৰ্থাৎ "নোপোৱাই পোৱা দিয়া পোৱা" (গড়গঁঞা) ।

ঘ) মনে খোজে ৰাজা হ'ব
বিধাতাই বোলে খুজিহে খাব ।।
(খোজে = বিচাৰে, ৰাজা = ৰজা)

মানুহে মনেৰে বহু কিবাকিবি বিচাৰে, এনেকি কোনোৱে ৰাজপাটত বহাৰ সপোনো ৰচে। পাছে জন্মতে বিধাতাই কপালৰ লিখন লিখি পঠায় আৰু সেইমতে ৰজা গৈ খোজনীয়াও হৈ পৰাৰ নিদৰ্শন আছে। গতিকে কপালৰ লিখন কোনেও খণ্ডাব নোৱাৰে। গড়গঁঞা সমাৰ্থক:
"আইৰ ঘৰলৈ যাম, দুয়ো হাতে খাম
বিধাতাই বোলে মযো পিছে পিছে যাম"

গোৱালপৰীয়া যোজনা: গোৱালপাৰাৰ পশ্চিম আৰু দক্ষিণ সীমাত আছে পশ্চিম বঙ্গ আৰু বাংলাদেশ। গতিকে গোৱালপৰীয়া ভাষাত বাংলা ভাষাৰ প্ৰভাৱ লক্ষণীয়। এই জিলাৰ বহু অংশ কোঁচ ৰাজ্যৰ অন্তৰ্গত আছিল। দুটামান গোৱালপৰীয়া যোজনাত চকু ফুৰাই চোৱা যাওক।

১) কি কৈইব বৌয়েৰ গুণাগুণ
   পান্তাভাতেৰ সাথে খাউৱাই পোৰা বেগুণ
{কৈইব (ক'ম), বৌ (পত্নী, ঘৈণী), পান্তাভাত (পঁইতাভাত), খাউৱাই (খুৱাই), বেগুণ (বেঙেনা)}

পত্নীয়ে পইতা ভাত আৰু পোৰা বেঙেনাৰ পিতিকাৰে ভাতৰ লেঠা মৰাত গিৰিয়েকে পত্নীৰ গুণানুকীৰ্তন কৰি এইদৰে কৈছে। ইয়াত প্ৰকৃততে পত্নীগৰাকী যে বিশেষ কামিলা নহয় তাকেহে কোৱা হৈছে। গড়গঁঞা সমাৰ্থক:
"দেখ তামাছা
তিনি আঘোণত এক গামোছা"

২) নোপোৱাৰ ঘৰত পাইছে নাতি
   কাণ ফৰ্কাইছে ওপৰকাটি

{ফৰকাইছে (ফুটাইছে), ওপৰকাটি (ওপৰ ফালে)}

বহু আশাৰ মূৰত নাতি এটা পাই আনন্দত আত্মহাৰা হোৱা মানুহে কি কৰিব, কি নকৰিব ভাৱিয়েই নাপায়। অৰ্থাৎ একো নথকা মানুহে কিবা এটা পালে আনন্দত আত্মহাৰা হয়।
গড়গঁঞা সমাৰ্থক: "মূৰত থলে ওকণিয়ে খায়, মাটিত থলে পৰুৱাই খায়'।

৩) কুন দিনাই মৰিল ভইচ
   তাৰ কাথা এলাও কইচ।
(কুন= কোন, ভইচ = মহ, কাথা = কথা, কাহিনী, এলাও= এতিয়াও, কইচ= কয়)

কামৰ পৰা ৰেহাই পাবলৈ চেষ্টা কৰি কাহানিবাই মৰা মহটোৰ কথা কৈ দুখ কৰি দেখুওৱা। প্ৰকৃততে কামত ফাঁকি দিয়াহে উদ্দেশ্য।
গড়গঞা সমাৰ্থক:
"কলিয়াবৰত পৈয়েক মৰিল
ঢেকী দিওতে মনত পৰিল"

৪) তিৰী তিৰী নকবি
   তিৰী নহয় ভাল
   তিৰীৰ কথাত মৰছে
   ৰাৱণ ঘৰেৰ পাল
(মৰছে= মৰিছে, মৰিল, ঘৰেৰ= ঘৰৰ)

সূৰ্পনখাৰ নাক কটাৰ প্ৰতিশোধ ল'বলৈ ৰাৱণে সীতাক হৰণ কৰাৰ ফলত সমূহ ৰাক্ষস কুলৰ বিনাশ ঘটে। গতিকে নাৰীৰ কথাত ততালিকে হয়ভৰ নিদি ভাৱি- চিন্তি কাম কৰা উচিত বুলি কোৱা হৈছে।

সমাৰ্থক: "স্ত্ৰী বুদ্ধি প্ৰলয়ংকৰী"

আজিৰ যুগত অৱশ্যে ই প্ৰযোজ্য নহয় ।

বিভিন্ন প্ৰান্তীয় উপভাষাই অসমীয়া ভাষাক চহকী কৰি তুলিছে ।

গড়গঁঞা যোজনা: গড়গাওঁ আছিল আহোম ৰাজ্যৰ ৰাজধানী । অসমত প্ৰচলিত ভাষাৰ লগত টাই - আহোম ভাষাৰ বহু শব্দৰ সংমিশ্ৰণৰ ফলত উৎপত্তি হোৱা ভাষাকে গড়গঁঞা অসমীয়া ভাষা বোলা হয় । যিহেতু অসমৰ এক বৃহৎ এলেকা আহোম ৰাজ্যৰ অধীন আছিল, সেয়ে গড়গঁঞা অসমীয়াক অসমৰ লিখিত ভাষাৰ স্বীকৃতি দিয়া হয় । ইতিমধ্যে গড়গঁঞা অসমীয়া যোজনা দুটিমান সমাৰ্থক ৰূপে দিয়া হৈছে । গতিকে আমি মাত্ৰ দুটা গড়গঞা যোজনা উদাহৰণ স্বৰূপে উল্লেখ কৰিলোঁ ।

১) "এনেই মৰিছোঁ ঋষিৰ শাপত
তাতে দিছেহি ধানৰ ভাপত"

ইয়াৰ অৰ্থ হ'ল এটা বিপদৰ পৰা উদ্ধাৰ নৌপাওতেই আন বিপদত পৰা ।

২) কালিলৈ ৰাম ৰজা হ'ব আজি অধিবাস
কোনেনো জানিছিল ৰাম যাব বনবাস

ৰাম ৰজা হ'বলৈ অধিবাস কৰি থাকোঁতেই কৈকেয়ীয়ে দশৰথৰ পৰা পাব লগা বৰৰ বিনিময়ত ৰামৰ বনবাস আৰু ভৰতৰ সিংহাসন আৰোহণৰ সৰ্ত্ত ৰাখিলে । এনে এটা ভৱিষ্যতৰ কথা সকলোৰে সপোনৰো অগোচৰ আছিল । এই যোজনাত অনিশ্চিত ভৱিষ্যতৰ কথা কৈ সকলোকে সাৱধান কৰি দিয়া হৈছে ।

এনে অৰ্থবহ যোজনাই সমাজত, মানুহৰ মানসত প্ৰভাৱ পেলোৱা স্বাভাৱিক । সেয়ে যিকোনো পৰিবেশতে আমাৰ মনত এটা নহয় এটা যোজনাই ভূমুকি মাৰেহি । এই যোজনাবোৰৰ ব্যৱহাৰ পুৰুষানুক্ৰমে হৈ আহিছে । যোজনাবোৰে দিয়া বাৰ্তা, তাৰ অনুভূতি, কোনো কোনো যোজনাত ব্যৱহৃত ৰসাল কথাৰ অনুভূতি পৃথিৱীৰ সকলো প্ৰান্তৰ মানুহৰ অনুভূতিৰ সমপৰ্য্যায়ৰ আৰু সেয়ে ইয়াৰ গ্ৰহণীয়তা বিশ্বজনীন ।

... ( ফোন +৯১-৮৮২৬৮০৩০৩০)